**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-Aug-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

বোকাখাত সমজিলাৰ বৰজুৰিত থকা **বন্যপ্ৰাণী পুনৰ সংস্থাপন আৰু সংৰক্ষণ কেন্দ্ৰই** বন্যপ্ৰাণী উদ্ধাৰ, পুনৰ সংস্থাপন আৰু সংস্থাপনৰ ক্ষেত্ৰত সফলতাৰে ২৩টা বৰ্ষ অতিক্ৰম কৰে। কালি প্ৰতিষ্ঠা দিৱস পালন কৰা কেন্দ্ৰটোৱে এই সুদীৰ্ঘ সময়ছোৱাত ৯ হাজাৰ ৫০০ৰো অধিক বন্যপ্ৰাণীক উদ্ধাৰ কৰি বনাঞ্চলত মুকলি কৰি দিছে। কেন্দ্ৰটোৱে প্ৰতিবছৰে কাজিৰঙাত হোৱা বানৰ সময়ত বিপদত পৰা বন্যপ্ৰাণীসমূহ উদ্ধাৰ কৰি বনাঞ্চলত পুনৰ মুকলি কৰি দি আহিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পানবাৰী সংৰক্ষিত বনাঞ্চলৰ সমীপৰ বৰজুৰি নামৰ ঠাইত অৱস্থিত এই কেন্দ্ৰটো ৰাজ্যৰ বনবিভাগ, ভাৰতীয় বন্যপ্ৰাণী ন্যাস আৰু পশু কল্যাণৰ আন্তৰ্জাতিক পুঁজিৰ দ্বাৰা যুটীয়াভাৱে পৰিচালিত হৈ আহিছে। ১৯৭২ চনৰ বন্যপ্ৰাণী প্ৰতিৰক্ষা আইনৰ অনুসূচিত বন্যপ্ৰাণীৰ উদ্ধাৰ আৰু চিকিৎসাৰ বাবে থাকিবলগীয়া নিয়মাৱলী, কেন্দ্ৰীয় চিৰিয়াখানা প্ৰাধিকৰণ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিশেষ অনুজ্ঞাপত্ৰৰে কেন্দ্ৰটোৰ বিশেষজ্ঞ আৰু স্বেচ্ছাসেৱক দলে প্ৰতিবছৰে বানৰ সময়ত ৭০০ৰো অধিক বন্যপ্ৰাণী উদ্ধাৰ কৰি চিকিৎসাৰ অন্তত পুনৰ বনাঞ্চলত মুকলি কৰি দি আহিছে। কেন্দ্ৰটোৱে বিগত সময়ছোৱাত মানস ৰাষ্ট্ৰীয় উদ্যানত কাজিৰঙাৰ পৰা নিয়া গঁড় আৰু দুষ্প্ৰাপ্য হলৌ বান্দৰক পুনৰ সংস্থাপন কৰাৰ দৰে সফল, গুৰুত্বপূৰ্ণ আৰু অভিনৱ সংৰক্ষণ অভিযানো সম্পন্ন কৰিছে।

000000

ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি অহা ১৩ ছেপ্তেম্বৰত আয়োজন কৰা অনুষ্ঠানত অংশগ্ৰহণৰ বাবে শিলচৰত কালিৰেপৰা সমবেত সংগীতৰ আখৰাৰ আয়োজন কৰা হৈছে। কাছাৰ জিলাৰ পৰা নিৰ্বাচিত ২০ গৰাকী শিল্পীয়ে হিন্দী ভৱনত আয়োজিত জিলা পৰ্যায়ৰ আখৰাত অংশগ্ৰহণ কৰিছে। গুৱাহাটীৰ মূল প্ৰশিক্ষক আলেখ্য চক্ৰৱৰ্তীয়ে শিল্পীসকলক সমবেত সংগীতৰ আখৰা কৰায়। কাছাৰৰ অতিৰিক্ত জিলা আয়ুক্ত ফিলিছ হুংচালে এই সমবেত সংগীতেৰে বিশ্ববন্দিত শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব বুলি উল্লেখ কৰে। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব।

000000

অসম কৃষি বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষা সঞ্চালকালয়ৰ উদ্যোগত **তথ্যৰ পৰা খচৰালৈ ঃ শক্তিশালী পাণ্ডুলিপি লিখন আয়ত্ত** কৰা সন্দৰ্ভত কালিৰেপৰা এখন দুদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই এই কৰ্মশালাখন উদ্বোধন কৰে। স্নাতকোত্তৰ পৰ্যায়ৰ ১২০ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাত অংশ লৈ বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ শিক্ষা সঞ্চালক ড° অনুপ কুমাৰ দাসে কালি উন্নত পাণ্ডুলিপি লিখন আৰু প্ৰকাশনৰ প্ৰয়োজনীয়তা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। কৰ্মশালাত গৱেষণা পত্ৰ লিখাৰ দক্ষতা গঢ়ি তোলা, ভাৰতীয় আলোচনীৰ বিষয়ে সজাগতা, উন্নত গৱেষণা পদ্ধতিৰ প্ৰয়োগ আদি সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

000000

কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ **মোৰ ৰেচম মোৰ অভিমান- প্ৰযুক্তি হস্তান্তৰ** অভিযানৰ অধীনত লখিমপুৰৰ নাৰায়ণপুৰৰ ৰাজ্যিক চিকিৎসালয়ৰ ফাৰ্মত কালি বিস্তৃত কাৰ্যসূচী অনুষ্ঠিত হয়। এৰী-মুগাক বিশ্বমুখী কৰাৰ প্ৰয়াসেৰে আয়োজিত এই অনুষ্ঠানত নাৰায়ণপুৰৰ মুঠ ৬১ গৰাকী মুগা আৰু এৰী কৃষকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ অংশ হিচাপে চোম পুলিও ৰোপণ কৰা হয়। অনুষ্ঠানত লখিমপুৰ জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি, ৰেচম বিভাগৰ অতিৰিক্ত সঞ্চালক, বিজ্ঞানী তথা বিষয়া আৰু কৰ্মচাৰী উপস্থিত থাকে। এৰী-মুগা বিষয়ক জ্ঞানৰ প্ৰসাৰৰ বাবে কৃষকৰ মাজত তথ্য প্ৰচাৰ পত্ৰিকা বিতৰণ কৰা হয়।

oooooo

গোলাঘাট জিলাৰ মেৰাপানী সীমান্তত আজি পুৱতি নিশা গাঁওৰক্ষী বাহিনীয়ে তালাচী চলাই বুজন পৰিমাণৰ বিদেশী চিগাৰেট জব্দ কৰে। নাগালেণ্ডৰ পৰা মেৰাপানী হৈ গোলাঘাটলৈ বিদেশী চিগাৰেট অনা এখন ট্ৰাক গাঁওৰক্ষী বাহিনীয়ে ভেলৌগুৰি এলেকাত  জব্দ কৰে। ট্ৰাকখনৰ পৰা ইণ্ডোনেছিয়া আৰু চীনত নিৰ্মিত ৩৭ টাৰো অধিক চিগাৰেটৰ কাৰ্টুন জব্দ কৰা হয়। আন্ধাৰৰ সুযোগ লৈ ট্ৰাকৰ চালকজনে পলায়ন কৰে যদিও গাঁওৰক্ষী বাহিনীয়ে চিগাৰেটসহ ট্ৰাকখন চি আৰ পি এফৰ সহযোগত মেৰাপানী আৰক্ষীক গতাই দিয়ে।

oooooo

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সখী এক্সপ্ৰেছ আঁচনিৰ অধীনত তৃণমূল পৰ্যায়ত কাম কৰা ৯ হাজাৰ ৭০৪ গৰাকী মহিলাক আজি স্কুটী প্ৰদান কৰা হ'ব। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত থাকিব। এই মহিলাসকলক স্কুটী প্ৰদানৰ জৰিয়তে আত্মসহায়ক গোটৰ কামকাজসমূহ ত্বৰান্বিত কৰাৰ উপৰি তেওঁলোকৰ যাত্ৰাৰ ব্যয় হ্ৰাস তথা উপাৰ্জন বৃদ্ধিৰ জৰিয়তে সমৃদ্ধিশালী গাঁও নিৰ্মাণৰ পথ প্ৰশস্ত কৰাৰ প্ৰয়াস কৰা হৈছে।

oooooo

সমাপ্ত